No. of Printed Pages—4

126/129 (BSN/UBA)

[20-HKPGDEO–M4S(O)21J]

MA 4th Semester (Old) Exam., 2020

ASSAMESE

[MAS (S4) 15 (Lit)]

(তুলনামূলক ভাৰতীয় সাহিত্য)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : ২×৫=১০

(ক) বিহাৰীলাল চক্ৰৱতী কোন আছিল? তেওঁ ৰচনা কৰা কাব্যগ্ৰন্থসমূহৰ নাম লিখক।

(খ) ৰৱীন্দ্ৰনাথ ঠাকুৰৰ 'জীৱনে যত পূজা' কবিতাটো ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে? কবিতাটোৰ মূল বক্তব্য কি?

(গ) 'বনলতা সেন' কাব্যগ্ৰন্থৰে বিখ্যাত হোৱা বাংলা সাহিত্যৰ কবিগৰাকী কোন? তেওঁ ৰচনা কৰা অন্যান্য কাব্যগ্ৰন্থসমূহ কি কি?

(ঘ) 'অভাগীৰ স্বৰ্গ' গল্পটিৰ নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰক।

(ঙ) বঙ্কিমচন্দ্ৰৰ কোনখন উপন্যাসৰ যোগেদি বাংলা উপন্যাসৰ প্ৰকৃত আৰম্ভণি ঘটিছিল বুলি কোৱা হয়? তেওঁ ৰচনা কৰা অইন যি কোনো চাৰিখন উপন্যাসৰ নাম লিখক।

(চ) 'পুতুল নাচেৰ ইতিকথা' কাৰ ৰচনা? উপন্যাসখনৰ প্ৰধান চৰিত্ৰসমূহৰ নাম উল্লেখ কৰক।

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) ঊনবিংশ শতিকাৰ বাংলা কবিতাৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি, চমুকৈ লিখক।

(খ) 'জীবনে যত পূজা' কবিতাত ৰবীন্দ্ৰনাথৰ আধ্যাত্মিক চেতনা কিদৰে প্ৰকাশ পাইছে?

(গ) বাংলা চুটিগল্পৰ ইতিহাসত শৰৎচন্দ্ৰ চট্টোপাধ্যায়ৰ স্থান নিৰ্ণয় কৰি এটি টোকা প্ৰস্তুত কৰক।

(ঘ) মাণিক বন্দ্যোপাধ্যায়ৰ উপন্যাসৰ গুৰুত্বপূৰ্ণ দিশসমূহ কি কি?

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *২৫০* শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) ৰবীন্দ্ৰনাথৰ কাব্য জীৱনক কি কি পৰ্বত ভাগ কৰা হৈছে? প্ৰতিটো পৰ্বতে ৰচিত কাব্যগ্ৰন্থৰাজিৰ আভাস দিয়ক।

(খ) জীৱনানন্দ দাশৰ 'আমি কবি,—সেই কবি' কবিতাটোৰ এটি সামগ্ৰিক আলোচনা দাঙি ধৰক।

(গ) 'অভাগীৰ স্বৰ্গ' গল্পৰ মূল চৰিত্ৰ অভাগীৰ সৃষ্টিত গল্পকাৰৰ দক্ষতা কেনেদৰে প্ৰকাশ পাইছে, চৰিত্ৰটোৰ আধাৰত বিশ্লেষণ কৰক।

(ঘ) 'বাংলা উপন্যাস-সাহিত্যৰ ক্ৰমবিকাশ'—এই বিষয়ে এটি আলোচনা যুগুত কৰক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *৫০০* শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু জীৱনানন্দ দাশৰ কাব্যৰীতিৰ তুলনামূলক আলোচনা দাঙি ধৰি এটি প্ৰবন্ধ যুগুত কৰক।

(খ) এখন মনস্তাত্ত্বিক উপন্যাস হিচাপে 'পুতুল নাচেৰ ইতিকথা' উপন্যাসৰ এটি আলোচনা দাঙি ধৰক।

(গ) 'অভাগীৰ স্বৰ্গ' গল্পটোৰ কাহিনীভাগ চমুকৈ লিখক।

(ঘ) বাংলা কাব্য-সাহিত্যৰ ইতিহাস সম্পৰ্কে এখন ৰচনা লিখক।

(ঙ) চমু টোকা লিখক :

অভাগী, 'পুতুল নাচেৰ ইতিকথা'ৰ শশী ডাক্তাৰ